**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-02-2026
**Time :** 1100 Hrs

মাজুলী বিধানসভা সমষ্টিত আজি কেইবাটাও প্ৰকল্প শুভাৰম্ভ কৰাৰ লগতে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্ম-সহায়ক গোটৰ ৩১ হাজাৰ ৯৫২ গৰাকী সদস্যাক ১০ হাজাৰ টকাকৈ বীজ মূলধন বিতৰণ কৰা হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী যোগেন মহন আৰু মাজুলীৰ বিধায়ক ভূৱন গাম উপস্থিত থাকিব। জিলাখনৰ গড়মূৰৰ মাণিকা পথাৰত দিনৰ ১১ বজাত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে মাজুলী-যোৰহাট সংযোগী দলঙৰ অৱশিষ্ট নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰিব। এহেজাৰ ১৯ কোটি টকা ব্যয়েৰে এই নিৰ্মাণ সম্পূৰ্ণ কৰা হ'ব। তেওঁ ৩৮২ কোটি টকা ব্যয়সাপেক্ষ মাজুলী-যোৰহাট দলং সংযোগী ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰিব। অসম মালাৰ অধীনত ৬৯৫ কোটি টকা ব্যয়েৰে নিৰ্মিত চাৰিলেনযুক্ত দুখন পকী দলং আৰু বালিচাপৰি-বঙালমৰা সংযোগী পথো তেওঁ মুকলি কৰিব। তদুপৰি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক ভৱন আৰু ছাত্ৰী নিবাস, চৰকাৰী আদৰ্শ স্নাতক মহাবিদ্যালয়, সংহত জিলা আয়ুক্তৰ কাৰ্যালয়, জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়, জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়, দক্ষিণপাট সত্ৰ সংগ্ৰহালয় আৰু জ্যোতি-বিষ্ণু সাংস্কৃতিক প্ৰকল্পও মুখ্যমন্ত্ৰীয়ে মুকলি কৰিব। দুহেজাৰ ২১৮ কোটি টকা ব্যয়সাপেক্ষে প্ৰকল্পসমূহ নিৰ্মাণ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে আত্মসহায়ক গোটৰ ৩১ হাজাৰ ৯৫২ গৰাকী সদস্যাক ১০ হাজাৰ টকাকৈ প্ৰদান কৰিব।

০০০০

কেন্দ্ৰীয় বাণিজ্য সংঘ আৰু বিভিন্ন শ্ৰমিক সন্থাৰ আহ্বানমৰ্মে আজি দেশজুৰি ৰূপায়ণ হোৱা সাধাৰণ ধৰ্মঘট কাৰ্যসূচীৰ পৰিপ্ৰেক্ষিতত যান-বাহনৰ চলাচল ব্যাহত হোৱাৰ লগতে বিভিন্ন বাণিজ্যিক প্ৰতিষ্ঠানসমূহ বন্ধ থকা পৰিলক্ষিত হৈছে। দেশজুৰি বেংক-বীমা, ডাক সেৱা, মহাগাণনিক বিভাগ, আয়কৰ, বি এছ এন এল, বিভিন্ন ৰাজ্যিক কৰ্মচাৰী সংগঠন, তেল, কয়লা, ৰাজহুৱা কৰ্মচাৰী সংগঠন আদিৰ শ্ৰমিক-কৰ্মচাৰীসকলে শ্ৰম-সংহিতা প্ৰত্যাহাৰৰ দাবীত এই ধৰ্মঘটৰ আহ্বান জনাইছে। অসমৰ মটৰ পৰিবহণ শ্ৰমিক সংগঠনে কেইবাটাও দাবীৰে এই ধৰ্মঘটৰ প্ৰতি সমৰ্থন জনাই ২৪ ঘণ্টাজোৰা চকা বন্ধ ঘোষণা কৰিছে। গুৱাহাটী মহানগৰীতো এই ধৰ্মঘটৰ প্ৰভাৱ পৰিলক্ষিত হৈছে। মহানগৰীত পুৱাৰ ভাগৰ পৰা ছিটি বাছৰ চলাচল বন্ধ আছে। খানাপাৰাৰ পৰা বিভিন্ন স্থানলৈ যাবলগীয়া দূৰণিবটীয়া গাড়ী চলাচলো বন্ধ আছে। গোৱালপাৰা জিলাতো ধৰ্মঘটৰ প্ৰভাৱ পৰিছে। জিলাখনৰ মাজেৰে যোৱা ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে বিভিন্ন স্থানত যান বাহনৰ চলাচল সেৰেঙা হৈছে।

০০০০

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত অনুষ্ঠিত ৩৬ সংখ্যক বাৰ্ষিক উদ্যান শস্য প্ৰদৰ্শনী তথা প্ৰতিযোগিতা আৰু মহিলা কৃষক উদ্যমী মহোৎসৱৰ আজি সামৰণি পৰিব। অসম কৃষি বিশ্ববিদ্যালয়ৰ সামুহিক বিজ্ঞান মহাবিদ্যালয়ত চলি থকা সৰ্বভাৰতীয় সমন্বিত কৃষিজীৱী মহিলা গৱেষণা প্ৰকল্পৰ অধীনত এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। ৰাষ্ট্ৰসংঘই চলিত বছৰটো মহিলা কৃষকৰ বৰ্ষ হিচাপে কৰা ঘোষণামৰ্মে মহিলা কৃষক মহোৎসৱৰ কাৰ্যসূচী লোৱা হৈছে। কৃষি কাৰ্যৰ সৈতে জড়িত মহিলাসকলৰ ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত ভূমিকা সম্পৰ্কে সজাগ কৰাৰ লগতে লিংগ বৈষম্য দূৰীকৰণ আৰু সম বিকাশৰ লক্ষ্যৰে এই কাৰ্যসূচী লোৱা হৈছে বুলি সামুহিক বিজ্ঞান মহাবিদ্যালয়ৰ সম্প্ৰসাৰণ আৰু যোগাযোগ ব্যৱস্থাপনা বিভাগৰ মুৰব্বী অধ্যাপক ড° ময়ুৰী বৰাই প্ৰকাশ কৰে।

বাইট

০০০০

গুৱাহাটী চিনে ক্লাবৰ উদ্যোগত কাইলৈৰ পৰা ১৭ ফেব্ৰুৱাৰীলৈ অষ্টাদশ আন্তৰ্জাতিক গুৱাহাটী চলচ্চিত্ৰ মহোৎসৱৰ আয়োজন কৰা হৈছে। গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত এখন সংবাদমেলত চিনে ক্লাবৰ বিষয়ববীয়াই এই বিষয়ে সদৰি কৰে। এই অনুসৰি আমবাৰীস্থিত অসম ৰাজ্যিক সংগ্ৰহালয়, কনকলাল বৰুৱা প্ৰেক্ষাগৃহত হ'বলগীয়া এই মহোৎসৱত দেশ-বিদেশৰ ১৬ খন চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হ'ব। মহোৎসৱত গুৱাহাটী চিনে ক্লাবৰ প্ৰতিষ্ঠাপক সদস্য সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষত শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে জনতাৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত উৎসৰ্গা কৰা হ'ব। আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন মণিপুৰৰ চলচ্চিত্ৰ পৰিচালক অৰিবাম শ্যাম শৰ্মাই মহোৎসৱ মুকলি কৰিব। পৰিচালকগৰাকীয়ে পৰিচালনা কৰা কেইবাখনো চলচ্চিত্ৰও মহোৎসৱত প্ৰদৰ্শন কৰা হ'ব। তদুপৰি জাৰ্মানী, ৰাছিয়া, পৰ্টুগাল, ইৰান, শ্ৰীলংকা, ব্ৰাজিল, ভিয়েটনাম আৰু দেশৰ কেইবাটাও আঞ্চলিক ভাষাৰ চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শন কৰা হ'ব। জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই বিশিষ্ট চলচ্চিত্ৰ পৰিচালক মুনীন বৰুৱা পৰিচালিত 'দীনবন্ধু' ছবিখন মহোৎসৱত প্ৰদৰ্শন কৰা হ'ব।

০০০০

কেন্দ্ৰীয় চৰকাৰৰ ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ মন্ত্ৰালয়ৰ উদ্যোগত আৰু কামৰূপ জিলা উদ্যোগ আৰু বাণিজ্য বিভাগৰ সহযোগত কালিৰে পৰা এখন তিনিদিনীয়া পি এম বিশ্বকৰ্মা প্ৰদৰ্শনী আৰু বাণিজ্য মেলাৰ আয়োজন কৰা হৈছে। কামৰূপ জিলা সংহত আয়ুক্ত কাৰ্যালয়ৰ চৌহদত অনুষ্ঠিত এই প্ৰদৰ্শনী আৰু বাণিজ্য মেলা জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই উদ্বোধন কৰে। পি এম বিশ্বকৰ্মা আঁচনিৰ হিতাধিকাৰীসকলক উৎসাহ দিয়াৰ লগতে উৎপাদিত সামগ্ৰীৰ ব্যৱসায় বৃদ্ধি কৰাৰ উদ্দেশ্যেৰে এই কাৰ্যসূচী হাতত লোৱা হৈছে। কাৰ্যসূচীত ৰাজ্যৰ অৰ্ধশতাধিক হিতাধিকাৰীয়ে অংশগ্ৰহণ কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ